# পদাৰ্থবোৰক বিভিন্ন ভাগত ভগোৱা

## পাঠ: ৪

## পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন : – ১)  কাঠেৰে তৈয়াৰী পাঁচবিধ বস্তুৰ নাম লিখা ।

**উত্তৰঃ –** ১) টেবুল ,    ২) চকী ,   ৩) দৰ্জা ,    ৪) নাও  ,    ৫) বিছনা ।

প্ৰশ্ন : –  ২) তলত দিয়া বস্তুবোৰৰ কোনবোৰৰ উজ্জলতা আছে বাচি উলিওৱা :

কাচৰ বাতি , প্লাষ্টিকৰ পুতলা , ষ্টীলৰ চামোচ , কপাহী চোলা ।

**উত্তৰঃ –** কাঁচৰ বাতি আৰু ষ্টীলৰ চামোচ উজ্জ্বল বস্তু ।

প্ৰশ্ন : –  ৩) তলত দিয়া বস্তুবোৰৰ লগত পদাৰ্থবোৰ মিলোৱা , যিবোৰৰ পৰা বস্তুটো নিৰ্মাণ কৰা হয়  । মনত ৰাখিবা যে বস্তু এটা এটাতকৈ বেছি পদাৰ্থৰে গঠন হব পাৰে আৰু পদাৰ্থটো বহুত বস্তু গঢ়িবলৈ ব্যৱহাৰ হব পাৰে ।

| **বস্তু** | **পদাৰ্থ** |
|---|---|
| কিতাপ | – কাঁচ |
| চকী | – কাগজ |
| জোতা | – প্লাষ্টিক |
| গামলা | – কাঠ |

**উত্তৰঃ-**

| **বস্তু** | **পদাৰ্থ** |
|---|---|
| কিতাপ | – কাগজ |

| | |
|---|---|
| চকী | – কাঠ আৰু প্লাষ্টিক |
| জোতা | – চামৰা |
| গামলা | – কাঁচ , প্লাষ্টিক |

প্ৰশ্ন : – ৪) তলত দিয়া উক্তিবোৰ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰা ।

ক) শিল স্বচ্ছ , কিন্তু কাঁচ অস্বচ্ছ ।

**উত্তৰঃ –** অশুদ্ধ ।

খ) টোকাবহীৰ উজ্জ্বলতা ( দ্যুতি ) আছে , কিন্তু ৰবৰৰ নাই ।

**উত্তৰঃ –** অশুদ্ধ ।

গ) চক মাটি পানীত দ্ৰৱীভূত হয় ।

**উত্তৰঃ –** অশুদ্ধ ।

ঘ) কাঠৰ টুকুৰা এটা পানীত ওপঙে ।

**উত্তৰঃ –** শুদ্ধ ।

ঙ) চেনি পানীত দ্ৰৱীভূত নহয় ।

**উত্তৰঃ –** অশুদ্ধ ।

চ) বালি পানীত তললৈ যায় ।

**উত্তৰঃ –** শুদ্ধ ।

ছ) তেল পানীত মিহলি হয় ।

**উত্তৰঃ –** অশুদ্ধ ।

জ) ভিনেগাৰ পানীত দ্ৰৱীভূত হয় ।

**উত্তৰঃ –** শুদ্ধ ।

প্ৰশ্ন : –  ৫) তলত কিছুমান বস্তু আৰু পদাৰ্থৰ নাম দিয়া আছে —

পানী , বাস্কেট বল , কমলা , চেনি , গোলক , আপেল , আৰু মাটিৰ কলহ । নিৰ্দেশনা মতে সেইবোৰ ভাগ কৰা —

ক) গোলাকৃতি আৰু অন্য আকৃতি

খ) খোৱাৰ উপযোগী আৰু খোৱাৰ অনুপযোগী বস্তু ।

**উত্তৰঃ –** ক) গোলাকৃতি : বাস্কেট বল , কমলা , গোলক , আপেল , আৰু মাটিৰ কলহ ।

অন্য আকৃতি :- চেনি আৰু পানী ।

খ) খোৱাৰ উপযোগী : – পানী , কমলা , আপেল , আৰু চেনি ।

খ) খোৱাৰ অনুপযোগী :-  বাস্কেট বল , গোলক আৰু মাটিৰ কলহ ।

প্ৰশ্ন : –  ৬)   তুমি জনা পানীত উপঙা সকলো বস্তুৰ নাম লিখা । এইবোৰ তেল অথবা কেৰাচিন তেলত উপঙে নে ? নিৰীক্ষণ কৰা ।

**উত্তৰঃ –** পানীত উপঙা বস্তু : কাগজ , কাঠ , প্লাষ্টিকৰ পাতল পটা , মম, বৰফ , থাৰ্মʼকল আৰু তেল ।

তেলত উপঙা বস্তু :- কাগজ , কাঠ , প্লাষ্টিকৰ পাতল পটা , মম  , থাৰ্মʼকল ।

কেৰাচিনত উপঙা বস্তু : কাগজ , প্লাষ্টিকৰ পাতল পটা , আৰু থাৰ্মʼকল ।

প্ৰশ্ন : –  ৭) তলত দিয়াবোৰৰ মাজৰ পৰা অমিলটো বাচি উলিওৱা :

ক) চকী , বিছনা , টেবুল , কেঁচুৱা , আলমাৰি ।

**উত্তৰঃ –** কেঁচুৱা ( আন সকলো বস্তু জড় ) ।

খ) গোলাপ , খৰিকাজাই , নাও , নার্জী , পদুম ।

**উত্তৰঃ –** নাও ( আনবোৰ ফুল ) ।

গ) এলুমিনিয়াম , লো , তাম , ৰূপ , বালি ।

**উত্তৰঃ –** বালি ( আনবোৰ ধাতু )

ঘ) চেনি , নিমখ , বালি , কপাৰ ছালফেট ।

**উত্তৰঃ –** বালি ( আনবোৰ পানীত দ্রৱীভূত হয় ) ।